# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কৰ ভৱনত বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত কৰ সংগ্ৰহৰ বিভিন্ন বিষয় সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যত সমন্বিত বস্তু আৰু সেৱা কৰ, আই জি এছ টি সংগ্ৰহৰ বৰ্তমান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ আই জি এছ টি সংগ্ৰহ বৃদ্ধি কৰিবলৈ প্ৰয়োজনীয় আৰু সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তেওঁ লগতে কৰ সংগ্ৰহৰ ক্ষেত্ৰত থকা সমস্যাসমূহ বিচাৰি উলিয়াই ৰাজহ সংগ্ৰহৰ সমগ্ৰ ব্যৱস্থাটো সুচল কৰি তোলাটো নিশ্চিত কৰাৰ বাবে পযেকীয়া বৈঠক অনুষ্ঠিত কৰিবলৈ মুখ্য সচিব ডঃ ৰবি কোটাক পৰামৰ্শ দিয়ে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ সম্প্ৰদায়ক জল পৰিবহণ খণ্ডৰ কৌশল আহৰণ কৰিবলৈ আহ্বান জনাইছে। আজি গুৱাহাটীত বন্দৰ আৰু নদী পৰিবহণ খণ্ডৰ কাম-কাজৰ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰি শ্ৰী সোণোৱালে কয়, যে গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ পাৰতে এটা লাইট হাউছ নিৰ্মাণ কৰা হ'ব আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীক নৌ পৰিবহণ আৰু নৌ ব্যৱসায়ৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০

১৯৬১ চনৰ ১৯ মে'ত বাংলা ভাষাৰ অধিকাৰৰ বাবে প্ৰাণ আহুতি দিয়া শিলচৰৰ ১১ গৰাকী ছহিদৰ স্মৃতিত আজি শিলচৰ নগৰত ৬৪ সংখ্যক ভাষা ছহিদ দিৱস পালন কৰা হয়। শিলচৰ ৰে'ল ষ্টেচনৰ ছহিদ বেদী, শ্মশান ঘাটৰ ছহিদ বেদী আৰু গান্ধীবাগৰ স্মৃতি সৌধত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে মাতৃভাষাৰ হকে প্ৰাণ আহুতি দিয়া ছহিদকেইগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে আজি পুৰা জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে ছহিদসকলৰ স্মৃতিত শোভাযাত্ৰা উলিয়ায়। শিলচৰৰ কেইবাটাও ক্লাবৰ উদ্যোগত আজি ভাষা ছহিদ দিৱস পালন কৰা হয়। বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে এই উপলক্ষে কয়, যে অসম চৰকাৰে ইতিমধ্যে বৰাক উপত্যকাত চৰকাৰী কাম-কাজত বাংলা ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰিছে। অসমীয়া আৰু বাংলা দুয়োটা ভাষায়েই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পাছত সকলো অসমবাসীৰ মাজত একতাৰ ভাব অধিক সুদৃঢ় হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অসম সাহিত্য সভাই বাংলা ভাষাক চৰকাৰী স্বীকৃতি প্ৰদানৰ দাবী পূৰণ হোৱাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে শিলচৰ ৰে'ল ষ্টেচনৰ নাম ভাষা ছহিদ ষ্টেচন ৰূপে নামকৰণৰ দাবীৰ প্ৰতিও সমৰ্থন আগবঢ়াইছে। বৰাক উপত্যকা ভ্ৰমণলৈ যোৱা অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী আৰু সাহিত্য সভাৰ আন শীৰ্ষ বিষয়ববীয়াসকলে কালি শিলচৰত এই কথা প্ৰকাশ কৰে।

০০০০০

রাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিৰ ত্ৰিৰংগ যাত্ৰা অব্যাহত আছে। **গোৱালপাৰা** পৌৰসভাৰ উদ্যোগত আজি গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা উলিওৱা ত্ৰিৰংগ যাত্ৰাত জিলাখনৰ প্ৰাক্তন সৈনিকসকলৰ লগতে শতাধিক লোকে অংশগ্ৰহণ কৰে। **বৰপেটা** জিলাতো আজি নাগৰিক সমাজৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহৰ পৰা ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ লোকে এই ত্ৰিৰংগ যাত্ৰাত অংশ লৈ দেশপ্ৰেমমূলক শ্ল'গান আৰু ধ্বনি দি সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ বীৰ জোৱানসকলৰ পৰাক্ৰমৰ প্ৰতি কৃতজ্ঞতা জনায়। **কোকৰাঝাৰ** জিলাতো আজি নাগৰিক সমাজে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ পৰাক্ৰম তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বৰ প্ৰতি কৃতজ্ঞতা হিচাপে ত্ৰিৰংগ যাত্ৰা উলিয়ায়।

ooooo

অসম আৰক্ষীয়ে দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অভিযান চলাই এতিয়ালৈকে বিভিন্ন জিলাৰ পৰা ৭১ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত কোকৰাঝাৰৰ পৰা ৰূপচান্দ আলী, গোৱালপাৰাৰ পৰা ৰছিদ মণ্ডল আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৰাজু শ্বেইখ নামৰ লোককেইজনক গ্ৰেপ্তাৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত আজি এটা পাৰস্পৰিক বিবাদ নিষ্পত্তি কেন্দ্ৰ মুকলি কৰা হয়। জিলা আৰু ছেছন ন্যায়াধীশ সঞ্জয় হাজৰিকাই আজি এই কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত স্থাপিত এই পাৰস্পৰিক বিবাদ নিষ্পত্তি কেন্দ্ৰটোৰ জৰিয়তে পাৰিবাৰিক গোচৰসমূহ বাদী আৰু বিবাদী পক্ষই পাৰস্পৰিক আলোচনাৰ জৰিয়তে নিষ্পত্তি কৰিব পাৰিব বুলি আমাৰ মানকাচৰৰ সংবাদদাতাই জনাইছে।

ooooo

সমাপ্ত